বিলম্বিত প্রক্রিয়া ঃ এইবাৰ দ্বিতীয়খন প্ৰ-পত্ৰ পাবৰ লাগিব আবেদনকাৰীয়ে

এনআৰচিক লৈ গগৈৰ নতুন চক্রান্ত

আঢ়ৈ মাহে কোনো ব্যৱস্থা নলৈ এতিয়াহে দুটা পর্যায়ত পুনৰীক্ষণৰ পদক্ষেপ, নির্বাচন পাৰ কৰোৱাৰ চেষ্টা

NRC

ষ্টাফ ৰিপৰ্টাৰ, ১৯ নৱেম্বৰ ঃ উচ্চতম ন্যায়ালয়ৰ নির্দেশমর্মে বাজাখনত চলি থকা এন আৰ চি উন্নীতকৰণ প্রক্রিয়া নির্ধাৰিত সময়ৰ ভিতৰত, বিশেষকৈ আসন্ন বিধানসভা নির্বাচনৰ পূর্বে যাতে সম্পূর্ণ হৈ নুঠে, তাৰ বাবে নিত্য নতুন কৌশল অৱলম্বন কৰিছে মুখ্যমন্ত্রী তৰুণ গগৈ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে। সমগ্র প্রক্রিয়াটোক অধিক দীঘলীয়া কৰাৰ লক্ষ্য আগত ৰাখিয়েই গগৈ চৰকাৰে এইবাৰ প্রতিজন আবেদনকাৰীক ১০ পৃষ্ঠাত

এনআৰচিক লৈ গগৈৰ নতুন চক্রান্ত

দ্বিতীয়খন প্র-পত্র দিয়াৰ সিদ্ধান্ত গ্রহণ কৰিছে। মূলতঃ এন আৰ চি উন্নীতকৰণৰ প্রক্রিয়াটো অধিক দীঘলীয়া কৰাৰ বাবেই যে গগৈ চৰকাৰে এনে ধৰণৰ অভিসন্ধিমূলক পন্থা হাতত লৈছে, সেয়া সহজেই অনুমেয়। উল্লেখ্য যে, উচ্চতম ন্যায়ালয়ৰ নির্দেশমর্মে এন আৰ চি উন্নীতকৰণ প্রক্রিয়া আৰম্ভ হোৱাৰ সময়তে পৰাই বিভিন্ন সময়ত গগৈ চৰকাৰে সমগ্র বিষয়টো অধিক জটিল কৰাৰ বাবে নানা কুটকৌশলত নামি পৰে। যাৰ পৰিণতিত সমগ্র প্রক্রিয়াটো ইতিমধ্যে যথেষ্ট দীঘলীয়া হৈ পৰিছে। উচ্চতম ন্যায়ালয়ৰ পূর্বৰ নির্দেশ অনুসৰি চলিত বর্ষৰ অক্টোবৰ মাহৰ ভিতৰত খচৰা এন আৰ চি প্রকাশ পাব লাগিছিল। ২০১৬ৰ জানুৱাৰীত চূড়ান্ত এন আৰ চি প্রকাশৰ সময় নির্ধাৰণ কৰা হৈছিল। কিন্তু ৰাজ্যখনত এন আৰ চি উন্নীতকৰণৰ কাম লেহেমীয়া গতিত চলাৰ পৰিপ্রেক্ষিতত শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে চূড়ান্ত এন আৰ চি প্রকাশৰ সময়সীমা ২০১৬ৰ মার্চ মাহলৈ বৃদ্ধি কৰিছে। কিন্তু শেহতীয়াকৈ গগৈ চৰকাৰে ২০১৬ৰ মার্চতো যাতে এন আৰ চি প্রকাশ পাব নোৱাৰে, তাৰ বাবে এইবাৰ পুনৰীক্ষণ প্রক্রিয়াটো অধিক দীঘলীয়া কৰাৰ চক্রান্তত নামি পৰিছে। এন আৰ চি সঞ্চালকালয়ৰ এক সূত্রই জানিবলৈ দিয়া মতে, যোৱা ৩১ আগষ্টতে এন আৰ চিৰ প্র-পত্র গ্রহণৰ সময়সীমা অন্ত পৰে। প্রতিখন জিলাত প্রতিটো পৰিয়ালে এই সময়সীমাৰ ভিতৰত প্র-পত্র দাখিল কৰিছে। সেই অনুসৰি যোৱা ১ ছেপ্টেম্বৰৰ পৰা প্র-পত্র পুনৰীক্ষণৰ কাম আৰম্ভ হ'ব লাগিছিল। কিন্তু আজি আঢ়ৈ মাহ ধৰি প্র-পত্র পুনৰীক্ষণৰ কোনো পদক্ষেপেই গ্রহণ কৰা হোৱা নাই। এই সম্পর্কত সূত্রটোৱে জানিবলৈ দিয়া মতে, এন আৰ চি উন্নীতকৰণৰ বাবে মুঠ ৬৮,৩৩,০২৪খন প্র-পত্র জমা হৈছে। উক্ত প্র-পত্রত মুঠ ৬ কোটি নথি সংলগ্ন হৈ আছে। এতিয়া এন আৰ চি সঞ্চালকৰ তৰফৰ পৰা নির্বাচন বিভাগ, বাজহ বিভাগ, স্বাস্থ্য বিভাগ, শিক্ষা বিভাগকে ধৰি বিভিন্ন বিভাগৰ অন্তর্গত বিষয়সমূহ নথি প্র-পত্রত সংলগ্ন কৰা হৈছে, সেই নথিসমূহ কম্পিউটাৰত ভাগ ভাগ কৰাৰ ব্যবস্থা কৰা হৈছে। এই প্রক্রিয়া সম্পূর্ণ হৈ উঠিলেই সংশ্লিষ্ট নথিসমূহৰ সত্যাসত্য পৰীক্ষাৰ কাম আৰম্ভ কৰা হ'ব। কোন বিভাগৰ কোন কার্যালয়ে সংশ্লিষ্ট নথি প্রদান কৰিছিল আৰু সেয়া সত্য নে অসত্য, সেইটো কম্পিউটাৰত ডকুমেণ্ট মেনেজমেণ্ট ব্যবহাৰ জৰিয়তে পৰীক্ষা কৰা হ'ব। অহা ডিচেম্বৰ মাহৰ ভিতৰত কম্পিউটাৰৰ জৰিয়তে নথি পৰীক্ষা সম্পূর্ণ হৈ উঠিব বুলি আশা প্রকাশ কৰিছে এন আৰ চি সঞ্চালকালয়ে। প্রথম পর্যায়ত কম্পিউটাৰৰ জৰিয়তে কার্যালয়তে নথি-পত্র পৰীক্ষণ প্রক্রিয়া সম্পূর্ণ হোৱাৰ পাছতেই আৰম্ভ হ'ব দ্বিতীয় পর্যায়ত ক্ষেত্রভিত্তিক পৰীক্ষণ প্রক্রিয়া। অৱশ্যে ক্ষেত্রভিত্তিক পৰীক্ষণ প্রক্রিয়া আৰম্ভ কৰাৰ পূর্বেই এন আৰ চিত নাম অন্তর্ভুক্তিৰ বাবে আবেদন কৰা প্রতিটো পৰিয়ালকে আন এখন প্র-পত্র পূৰণ কৰিবলৈ দিয়া হ'ব। সূত্রটোৱে জানিবলৈ দিয়া মতে, 'মেনুবেল ফেমিলী ট্রী' হিচাপে চিহ্নিত কৰা এই প্র-পত্রখনত আবেদনকাৰীয়ে ইতিমধ্যে ব্যবহাৰ কৰা লিগেচী ডাটাৰ বিপৰীতে পৰিয়ালৰ কোনে কোনে আবেদন কৰিছে, তেওঁলোকৰ পৰিয়ালত কোন কোন আছে, সেই বিষয়ে উল্লেখ কৰিব লাগিব অৱশ্যে যোৱা জুলাই-আগষ্ট মাহত পূৰণ কৰা প্রথমখন প্র-পত্রৰ দৰে এই দ্বিতীয়খন প্র-পত্র এন আৰ চি সেৱা কেন্দ্রত গৈ শাৰী পাতি দাখিল কৰাৰ কোনো প্রয়োজন নাই। ক্ষেত্রভিত্তিক পৰিদর্শনৰ সময়ত যেতিয়া এন আৰ চিৰ বিষয়া-কর্মচাৰী ঘৰে ঘৰে আহিব, তেতিয়াই তেওঁলোকে দ্বিতীয়খন প্র-পত্র সংগ্রহ কৰি নিব। সূত্রটোৱে প্রকাশ কৰা মতে, কোনো লোকে ভুৱা লিগেচী ডাটা ব্যবহাৰ কৰি এন আৰ চিত নাম যাতে অন্তর্ভুক্ত কৰিব নোৱাৰে, তাৰ প্রতি লক্ষ্য ৰাখিয়েই এই দ্বিতীয়খন প্র-পত্রৰ ব্যবস্থা কৰা হেছে। সূত্রটোৰ মতে, এই ব্যবস্থাৰ ফলত কোনে কাৰ সৈতে ভুৱা সম্পর্ক দেখুৱাই এন আৰ চিত নাম অন্তর্ভুক্তিৰ চেষ্টা কৰিছে, সেয়া সহজেই ধৰা পেলাব পৰা যাব। কিন্তু এই মুহূর্তত উত্থাপিত গুৰুত্বপূর্ণ প্রশ্নটো হৈছে এখন শুদ্ধ এন আৰ চি প্রস্তুতৰ বাবে চৰকাৰ যদি সঁচাই আগ্রহী, তেতিয়াহ'লে প্রথমখন প্র-পত্রৰ লগতে দ্বিতীয়খন প্র-পত্রত পুৰাবলগীয়া বিষয়সমূহ সন্নিবিষ্ট কৰা নাছিল কিয়? আচলতে এন আৰ চি উন্নীতকৰণৰ বিষয়টো অধিক দীঘলীয়া কৰাৰ বাবেই সেই সময়ত এই পদক্ষেপ গ্রহণ কৰা নাছিল নেকি? মানহাতে, এন আৰ চিৰ প্র-পত্র ক্ষেত্রভিত্তিক পুনৰীক্ষণৰ সময়ত আন এক পদক্ষেপ গ্রহণ কৰিছে চৰকাৰে। সূত্রটোৱে প্রকাশ কৰা অনুসৰি, ইতিমধ্যে ন্যায়ালয়ে পলাতক বিদেশী বুলি ঘোষণা কৰা আৰু 'ডি' ভোটাৰৰ তালিকা প্রতিখন জিলাৰ উপাযুক্তক দিয়া হৈছে। কোনো ব্যক্তিৰ নাম আৰু পিতৃ-স্বামীৰ নাম যদি কোনো পলাতক বিদেশী বা 'ডি' ভোটাৰৰ লিষ্টত হবহু মিলে, তেতিয়াহ'লে সংশ্লিষ্ট জিলাৰ উপাযুক্তক উক্ত ব্যক্তিজনৰ নথি-পত্র সূক্ষ্মভাৱে পুনৰীক্ষণ কৰিবলৈ নির্দেশ দিয়া হৈছে। মূলতঃ ন্যায়ালয়ে বিদেশী বুলি ঘোষণা কৰা অথবা 'ডি' ভোটাৰ এজনে আন জিলা বা অঞ্চলৰ বাসিন্দা দেখুৱাই এন আৰ চিত যাতে নাম অন্তর্ভুক্ত কৰাৰ অৱকাশ উলিয়াব নোৱাৰে, তাৰ প্রতি লক্ষ্য ৰাখিয়েই এই ব্যবস্থা গ্রহণ কৰা হৈছে, বুলি এন আৰ চি সঞ্চালকালয়ৰ সূত্রটোৱে জানিবলৈ দিয়ে। মুঠতে এখন শুদ্ধ এন আৰ চি প্রস্তুতৰ নামত গগৈ চৰকাৰে এতিয়া নতুনকৈ ইটো-সিটো পুনৰীক্ষণ ব্যবস্থাৰ সংযোজন ঘটাই সমগ্র প্রক্রিয়াটো অধিক দীঘলীয়া কৰিব বিচাৰিছে। মূলতঃ আসন্ন বিধানসভা নির্বাচনৰ পূর্বে এন আৰ চি উন্নীতকৰণ প্রক্রিয়া সম্পূর্ণ হৈ উঠিলে ইমানদিনে বিদেশী আৰু স্বদেশীৰ নামত কৰি অহা ৰাজনীতিৰ অৱসান ঘটাৰ আশংকাৰে গগৈ চৰকাৰে সমগ্র প্রক্রিয়াটো বিধানসভা নির্বাচনৰ পিছলৈ কেনেদৰে নিব পাৰি তাৰেই চক্রান্তত নামি পৰা পৰিলক্ষিত হৈছে।